**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-04-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৈছে যে ভাৰতৰ আশা প্ৰত্যাশাৰ খৰটকীয়া পৰিবৰ্তনে যোগ্য আৰু গভীৰ নাগৰিক কেন্দ্ৰীক শাসনৰ আৰ্হি দাবী কৰিছে।

২। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধীয়ে আজি কাৰ্বি আংলং জিলাৰ বোকাজানত এখন নিৰ্বাচন সভাত অংশগ্ৰহণ কৰে। শ্ৰীগান্ধীয়ে তিতাবৰতো প্ৰচাৰ চলাব।

৩। আজি বিজেপিৰ জেষ্ঠ্য নেতা অমিত শ্বাহ আৰু নীতিন গাডকাৰীয়ে অসমত নিৰ্বাচনী প্ৰচাৰৰ চলাব।

৪। দেশৰ বিভিন্ন স্থানত আজি ধৰ্মীয় ৰীতি-নীতিৰে হনুমান জয়ন্তী উদযাপন কৰা হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৈছে যে ভাৰতৰ আশা প্ৰত্যাশাৰ খৰটকীয়া পৰিবৰ্তনে যোগ্য আৰু গভীৰ নাগৰিক কেন্দ্ৰীক শাসনৰ আৰ্হি দাবী কৰিছে। কৰ্মযোগী সাধনা সপ্তাহ উপলক্ষে দিয়া এটা ভিডিঅ' বাৰ্তাত তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, বৰ্তমানৰ চৰকাৰ নাগৰিক দেৱ ভৱ মন্ত্ৰৰে পৰিচালিত আৰু ৰাজহুৱা সেৱাক অধিক সমৰ্থৱান, স্পৰ্শকাতৰ তথা নাগৰিককেন্দ্ৰীক কৰি তোলাৰ স্পষ্ট চিন্তাৰে পুষ্ট।

ooooooo

অসমত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ চলাবৰ বাবে আজি কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধী কাৰ্বি আংলং জিলাৰ বোকাজানত উপস্থিত হৈছে। তাত এখন নিৰ্বাচনী সভাত ভাগ লোৱাৰ পাছত তেওঁ তিতাবৰ সমষ্টিতো কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উজনি অসমৰ কেইবা ঠাইতো প্ৰচাৰ কাৰ্যসূচীত অংশ লৈছে। ড০ শৰ্মাই প্ৰথমে খোৱাং সমষ্টিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছত তেওঁ ৰামেশ্বৰ তেলীৰ হৈ দুলীয়াজানত, সুৰেণ ফুকনৰ হৈ ডিগবৈত প্ৰচাৰ চলাব। ডিব্ৰুগড়ৰ লেপেটকাতাত তেওঁ মিত্ৰজোটৰ প্ৰাৰ্থী চক্ৰধৰ গগৈৰ হৈ প্ৰচাৰ চলাব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালে আজি নাহৰকটীয়াত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিয়লি অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ নগাঁও জিলাৰ কলিয়াবৰত এখন নিৰ্বাচনী সভাত ভাগ ল'ব। শ্ৰীশ্বাহে কাইলৈ পুৱা

গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰীত আন এখন প্ৰচাৰ সভাত অংশ ল'ব। তেওঁ কাইলৈ দুধনৈ আৰু পলাশবাৰীত দুখন নিৰ্বাচনী সভাত ভাষণ দিব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় পথ পৰিৱহন মন্ত্ৰী নীতিন গাডকাৰীও আজি প্ৰচাৰৰ বাবে অসমলৈ আহিব। তেওঁ মধ্য গুৱাহাটী আৰু পলাশবাৰীত নিৰ্বাচনী সভাত ভাগ ল'ব। ইপিনে নিৰ্বাচনী প্ৰচাৰৰ বাবে এ আই এম আই এমৰ মুৰববী আছাদউদ্দীন ওৱেইচিও ৰাজ্যখনত উপস্থিত হৈছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি দুখন নিৰ্বাচনী সভাত ভাগ লয়। প্ৰধানমন্ত্ৰীগৰাকী অহা ৬ এপ্ৰিলত মৰাণ, বৰপেটা ৰোড আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

প্ৰধান বিৰোধী দল কংগ্ৰেছেও ব্যাপক নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰা দেখা গৈছে। দলটোৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে দেৱব্ৰত শইকীয়া, লুৰীণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ কালি নাজিৰা, খোৱাং আৰু টিংখাঙত প্ৰচাৰ চলায়।

০০০০০০০

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে কয় যে বনানীকৰণ কাৰ্যসূচীৰ অধীনত ৰূপণ কৰা গছপুলিসমূহৰ জীয়াই থকাৰ হাৰ সম্প্ৰতি ৬০ৰ পৰা ৭০ শতাংশ বুলি অনুমান কৰা হৈছে। তেওঁ কয় যে সমগ্ৰ দেশতে গছপুলি ৰূপণ কাৰ্যসূচী সফল কৰাৰ বাবে উপগ্ৰহ ছবি আৰু জি আই এছ প্ৰযুক্তিৰ জৰিয়তে নিৰীক্ষণ কৰি থকা হৈছে। ৰাজ্যসভাত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। চৰকাৰে গছপুলিসমূহ জীয়াই থকাটো নিৰীক্ষণৰ বাবে উপগ্ৰহ আধাৰিত মূল্যায়ন আৰু ক্ষেত্ৰভিত্তিক পৰীক্ষণৰ ব্যৱস্থা কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। শ্ৰীসিঙে কয় যে প্ৰতি দুবছৰৰ অন্তৰে অন্তৰে ভাৰতীয় বনাঞ্চলৰ স্থিতি সংক্ৰান্তীয় প্ৰতিবেদনৰ মূল্যায়ন কৰা হয় আৰু ইয়াৰ জৰিয়তে চৰকাৰে কিমান সংখ্যক গছপুলি জীয়াই আছে তাৰ তথ্য লাভ কৰাত সহায় হয়।

পৰিৱেশৰ বাবে বনাঞ্চলৰ গুৰুত্ব সন্দৰ্ভত সদনত এগৰাকী সদস্যই উত্থাপন কৰা প্ৰশ্নৰ উত্তৰত শ্ৰীসিঙে কয় যে ভাৰতীয় বনাঞ্চল প্ৰতিবেদন ২০২৩ অনুসৰি দেশৰ ৮ লাখ ২৭ হাজাৰ ৩৫৭ বৰ্গ কিল'মিটাৰ এলেকা বনাঞ্চলে আগুৰি আছে আৰু এইয়া হৈছে ভাৰতৰ মুঠ ভৌগোলিক এলেকাৰ ২৫ শতাংশ। চৰকাৰে ৰাষ্ট্ৰীয় অভিযান, ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচী আৰু অন্যান্য বনানীকৰণ উদ্যমৰ জৰিয়তে বনাঞ্চলৰ এলেকা বৃদ্ধি কৰাৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

দেশৰ বিভিন্ন স্থানত আজি ধৰ্মীয় ৰীতি-নীতিৰে হনুমান জয়ন্তী উদযাপন কৰা হৈছে। হনুমান জয়ন্তী উপলক্ষে নতুন দিল্লীৰ কনট প্লেচত থকা প্ৰাচীন হনুমান মন্দিৰত ভক্তসকলে নিচেই পুৱাৰ পৰা ভিৰ কৰা পৰিলক্ষিত হৈছে। দেশৰ বিভিন্ন মন্দিৰত হনুমান চালিচা, সুন্দৰ কাণ্ড ৰামায়ণ আৰু অখণ্ড ৰামায়ণ পাঠ কৰাৰ বাতৰি আহিছে।

হনুমান জয়ন্তী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, ওম বিৰলা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেশবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোডীয়ে কয় যে, ভগৱান হনুমান ভক্তি, শক্তি আৰু ঐকান্তিক নিষ্ঠাৰ অন্যন্য প্ৰতীক। হনুমান জয়ন্তীয়ে সকলোৰে জীৱনত নতুন শক্তি আৰু

সম্ভাৱনাৰ  সঞ্চাৰ কৰে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোডীয়ে বায়ুপুত্ৰ হনুমানে সকলোকে শক্তি, জ্ঞানৰে সমৃদ্ধ কৰি দেশৰ সমৃদ্ধি আৰু প্ৰগতি অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই হনুমান শক্তি, ভক্তি আৰু ত্যাগৰ প্ৰতীক হিচাপে বৰ্ণনা কৰে। ভগৱান হনুমানে সদায় সাহস আৰু কৰ্তব্যৰ পথ প্ৰদৰ্শন কৰৱি আহিছে বুলি শ্ৰীবিৰলাই উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে হনুমানক ভগৱান শ্ৰীৰামৰ অতুলনীয় ভক্ত হিচাপে উল্লেখ কৰাৰ লগতে তেওঁক ভক্তি আৰু সেৱাৰ উৎকৃষ্ট পটন্তৰ হিচাপে বৰ্ণনা কৰে। ভগৱান হনুমানে দেশৰ প্ৰতিজন নাগৰিকক সুখ শান্তি আৰু সমৃদ্ধিৰ আৰ্শীবাদ দিব বুলি শ্ৰীশ্বাহে আশা কৰে।

ooooo

ইণ্ডোনেছিয়াৰ মলুক্কা সাগৰত কালি অনুভুত হোৱা ৭ দশমিক ৪ প্ৰাব্যলৰ বিধবংসী ভূমিকম্পত শ্ৰীলংকাৰ উপকূলীয় অঞ্চলৰ কোনো ক্ষতি হোৱা নাই বুলি দেশখনৰ দুৰ্যোগ ব্যৱস্থাপনা কেন্দ্ৰই প্ৰকাশ কৰিছে। অৱশ্যে এই ভূমিকম্পৰ পাছত দক্ষিণ-পূব এছিয়াৰ বিভিন্ন অংশত ছুনামীৰ সতৰ্কতা জাৰি কৰা হৈছে। আমেৰিকাৰ ভূতাত্বিক সমীক্ষাই প্ৰকাশ কৰা মতে ইণ্ডোনেছিয়াৰ উপকূলত ৩ চেণ্টিমিটাৰ উচ্চতাৰ ঢৌৰে জোকাৰি যোৱাৰ সম্ভাৱনা আছে। কালি পুৱা সংঘটিত এই ভূমিকম্পত দেশখনৰ মানাডো অঞ্চলত এজন লোকৰ মৃত্যু হোৱা বুলি ইণ্ডোনেছিয়াৰ সংবাদ মাধ্যমে প্ৰকাশ কৰিছে। ছুনামী নিৰীক্ষণ সংস্থাসমূহে ইণ্ডোনেছিয়া, ফিলিপাইনছ আৰু মালয়েছিয়াৰ বিভিন্ন অংশত সাগৰৰ প্ৰৱল ঢৌৰে কোবাই যোৱাৰ আশংকা প্ৰকাশ কৰিছে।

ooooooooo

কেন্দ্ৰীয় শক্তিমন্ত্ৰী মনোহৰ লালে স্পষ্ট কৰি দিছে যে প্ৰিপেইড বিদ্যুৎ স্মাৰ্ট মিটাৰ সকলো উপভোক্তাৰ বাবে বাধ্যতামূলক নহয়। লোকসভাৰ প্ৰশ্নোত্তৰ কালত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰি শ্ৰী লালে কয় যে, যদিহে কোনো উপভোক্তাই এই প্ৰিপেইড স্মাট মিটাৰ ব্যবহাৰৰ ইচ্ছা কৰে, তেন্তে ই কেৱল উপভোক্তজনকে নহয় বৰং সংশ্লিষ্ট ৰাজ্য আৰু বিতৰণ কোম্পানীসমূহকো উপকৃত কৰিব। প্ৰসংগক্ৰমে তেওঁ কয় যে, সম্প্ৰতি বহুকেইখন ৰাজ্যই স্মাট প্ৰিপেইড মিটাৰ কাৰ্য্যকৰী কৰিছে। মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে এই স্মাট মিটাৰ কোনো উপভোক্তাকে বলপূৰ্বকভাৱে ল'বলৈ দিয়া নহয়, ই সম্পূৰ্ণ উপভোক্তাজনৰ ইচ্ছা অনিচ্ছাতহে নিৰ্ভৰ কৰে।

(বাইট মনোহৰ লাল)

তেওঁ কয় যে, প্ৰিপেইড মিটাৰ ব্যৱস্থা কায্যকৰী হোৱাৰে পৰা কোম্পানীসমূহৰ লোকচান হোৱা নাই, বৰং লাভৰ দিশেৰে অগ্ৰসৰ হৈছে। শক্তি বিতৰণ কোম্পানীসমূহৰ লোকচানে সম্প্ৰতি প্ৰায় ৭ লাখ কোটি টকাৰ ঘৰ স্পৰ্শ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, স্মাট মিটাৰ ব্যৱহাৰে বিদ্যুৎৰ প্ৰকৃত বিল সংগ্ৰহ নিশ্চিত কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা ডেলহি কেপিটেলছে লক্ষ্নৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটৰ ব্যৱধানত পৰাস্ত কৰে।

লক্ষ্নৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি লক্ষ্নৌ ছুপাৰ জায়েণ্টছে আটাইকেইটা উইকেট হেৰুৱাই ১৪১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ আব্দুল ছামাদে সৰ্বাধিক ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। ডেলহিৰ লুংগী এণ্ডিগি আৰু টি নটৰাজনে ৩টাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত ডেলহি কেপিটেলছে  ১৭ অভাৰ আৰু এটা বলতে ৪ উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। দলৰ হৈ সমীৰ ৰিজভিয়ে সৰ্বাধিক ৭০ ৰানৰ বৰঙণি আগবঢ়ায়। খেলুৱৈ গৰাকীক প্লেয়াৰ অব্ দ্যা মেচ ঘোষণা কৰা হয়।

০০০০০

যোৱাবাৰৰ চেম্পিয়ন ভাৰত পুৰুষৰ ২০ বছৰ অনুৰ্ধৰ ছাফ ফুটবল চেম্পিয়নশ্বিপৰ ফাইনেলত উপনীত হৈছে। ভাৰতে মালদ্বীপৰ মালেত যোৱানিশা অনুষ্ঠিত চেমিফাইনেলত ভূটানক ৫-০ গলত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ ফাইনেল খেলখন কাইলৈ অনুষ্ঠিত হ'ব।

ফাইনেলত ভাৰতৰ হৈ ৰোহেন ছাপহামায়ুমে দুটা গ'ল দিয়াৰ বিপৰীতে ওমাং দোদাম, মহম্মদ আৰবাছ আৰু থকছোম মালেমগানবাই এটাকৈ গ'ল দিয়ে।

ইয়াৰ পূৰ্বে বাংলাদেশে ছেমি ফাইনেলত নেপালক ১-০ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

গ্ৰুপ পৰ্যায়ত ভাৰত আৰু বাংলাদেশৰ মাজৰ খেলখন ১-১ গ'লত ড্ৰ হৈছিল। এই বাৰ্ষিক প্ৰতিযোগিতাখনত এই পৰ্যন্ত ভাৰতে চাৰিবাৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰি আটাইতকৈ সফল দল ৰূপে পৰিগণিত হৈছে।

০০০০০

সমাপ্ত